# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 31-08-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

- - - - - - - - - - - - - - -

১। সমাজত মহিলাৰ বিৰুদ্ধে হোৱা অপৰাধ আৰু শিশুৰ সুৰক্ষা চিন্তনীয় বিষয় হৈ পৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নতুন দিল্লীত প্ৰকাশ।

২। অসম বিধানসভাৰ শৰৎকালীন অধিবেশনত গৃহীত বিধেয়কসমূহে ৰাজ্যবাসীৰ সুৰক্ষা নিশ্চিত কৰিব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য।

৩। সপ্তম ৰাষ্ট্ৰীয় পোষণ মাহৰ দেশজোৰা কাৰ্যসূচীৰ শুভাৰম্ভ। অসমতো পোষণ মাহৰ শুভাৰম্ভ।

৪। গুৱাহাটী মহানগৰীত ২৪ ঘণ্টাৰ ভিতৰত ধাৰাষাৰ বৰষুণ হ'ব বুলি বতৰ বিজ্ঞান কেন্দ্ৰৰ আগজাননী।

**আৰু**

৫। পেৰিছত অনুষ্ঠিত পেৰালিম্পিকৰ বেডমিণ্টনত ভাৰতৰ সুকান্ত কদম আৰু নিতেশ কুমাৰৰ ছেমি ফাইনেলত প্ৰৱেশ।

ooooo

সমাজত মহিলাৰ বিৰুদ্ধে হোৱা অপৰাধ আৰু শিশুৰ সুৰক্ষা চিন্তনীয় বিষয় হৈ পৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত প্ৰকাশ কৰে। নতুন দিল্লীৰ ভাৰত মণ্ডপমত দুদিনীয়াকৈ অনুষ্ঠিত ৰাষ্ট্ৰীয় জিলা ন্যায়িক সমাৰোহ উদ্বোধন কৰি তেওঁ লগতে কয় যে, মহিলাৰ সুৰক্ষাৰ বাবে দেশত বহুতো কঠোৰ আইন প্ৰণয়ন কৰা হৈছে, কিন্তু সম্প্ৰতি এই আইনসমূহ অধিক সক্ৰিয় কৰি তোলাৰ প্ৰয়োজন হৈছে। শ্ৰী মোদীয়ে নাৰী নিৰ্যাতনৰ গোচৰৰ বিচাৰ প্ৰক্ৰিয়া দ্ৰুত হোৱাত গুৰুত্ব দি কয় যে, তেতিয়াহে মহিলাৰ সুৰক্ষা নিশ্চিত হৈ উঠিব।

প্ৰধানমন্ত্ৰীয়ে কয় যে, সৰ্বোচ্চ ন্যায়ালয়ৰ ৭৫ বৰ্ষ পূৰ্তিয়ে গণতন্ত্ৰৰ মাতৃ হিচাপে ভাৰতৰ গৌৰৱকে প্ৰতিফলিত কৰিছে। সৰ্বোচ্চ ন্যায়ালয়ৰ ৭৫ বছৰীয়া ইতিহাসক ভাৰতৰ সংবিধান আৰু সাংবিধানিক প্ৰমূল্যৰ পৱিত্ৰ যাত্ৰা হিচাপে শ্ৰী মোদীয়ে অভিহিত কৰে। দেশৰ জৰুৰীকালীন অৱস্থাৰ অন্ধকাৰ সময়তো আনকি সৰ্বোচ্চ ন্যায়ালয়ে দেশবাসীৰ মৌলিক অধিকাৰ সুৰক্ষিত কৰি ৰাখিছিল বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, যেতিয়াই ৰাষ্ট্ৰীয় স্বাৰ্থৰ ক্ষেত্ৰত প্ৰশ্ন উঠে, তেতিয়াই ন্যায়ালয়ে সদায় ৰাষ্ট্ৰীয় সংহতিৰ অতন্দ্ৰ প্ৰহৰী হিচাপে কাম কৰি আহিছে। তেওঁ কয় যে, ভাৰতবাসীয়ে কেতিয়াও কোনো কাৰণতে সৰ্বোচ্চ ন্যায়ালয় অথবা ভাৰতীয় ন্যায়িক ব্যৱস্থাৰ বিৰুদ্ধে প্ৰশ্ন উত্থাপন কৰা নাই। সেই বাবে সৰ্বোচ্চ ন্যায়ালয়ৰ ৭৫ বৰ্ষ পূৰ্তিয়ে গণতন্ত্ৰৰ মাতৃ হিচাপে ভাৰতৰ গৌৰৱ উজ্বল কৰি তুলিছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, সত্যমেৱ জয়তেৰ জৰিয়তে ন্যায়ালয়ে সাংস্কৃতিক বাৰ্তাও বহন কৰি আহিছে। ভাৰতীয় গণতন্ত্ৰত ন্যায়িক ব্যৱস্থাক সংবিধানৰ ৰক্ষক হিচাপে গণ্য কৰি অহা হৈছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় য়ে, এয়া ন্যায়িক ব্যৱস্থাটোৰ ওপৰত

অৰ্পিত বৃহৎ দায়িত্ব। শ্ৰী মোদীয়ে কয় যে, দেশবাসীয়ে অপাৰ সন্তুষ্টিৰে প্ৰকাশ কৰি আহিছে যে সৰ্বোচ্চ ন্যায়ালয়ে এই দায়িত্ব অত্যন্ত সুচাৰুৰূপে পালন কৰি আহিছে। ভাৰতীয় ন্যায় সংহিতা সন্দৰ্ভত প্ৰধানমন্ত্ৰীয়ে কয় যে, নাগৰিক প্ৰথম, মৰ্যাদা প্ৰথম আৰু ন্যায় প্ৰথম এয়াই হৈছে এইসমূহ আইনৰ আধাৰ।

শ্ৰী মোদীয়ে কয় যে বিগত এটা দশকত ন্যায় প্ৰদান প্ৰক্ৰিয়া দ্ৰুত কৰি তোলাৰ ক্ষেত্ৰত বহুতো কাম কৰা হৈছে। বিগত ১০ বছৰত দেশত ন্যায়িক পৰিকাঠামোৰ বিকাশৰ ক্ষেত্ৰত প্ৰায় ৮ হাজাৰ কোটি টকা ব্যয় কৰা হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

স্বাধীনতাৰ অমৃত কালৰ প্ৰসংগ উত্থাপনেৰে প্ৰধানমন্ত্ৰীয়ে কয় যে, এই সময়ছোৱাত বিকশিত ভাৰত, নতুন ভাৰতেই হৈছে ১৪০ কোটি ভাৰতীয়ৰ একমাত্ৰ সপোন। আজিৰ অনুষ্ঠানতে শ্ৰী মোদীয়ে সৰ্বোচ্চ ন্যায়ালয়ৰ স্থাপনৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে এটা স্মাৰক ডাক টিকট আৰু এটা স্মাৰক মুদ্ৰা মুকলি কৰে।

অনুষ্ঠানত দেশৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ে কয় যে, চলিত বছৰৰ মাৰ্চত কচ্ছত অনুষ্ঠিত সদৌ ভাৰত জিলা ন্যায়াধীশ সমাৰোহৰ অংশ হিচাপে এই দুদিনীয়া সমাৰোহৰ আয়োজন কৰা হৈছে। তেওঁ কয় যে এই সমাৰোহত ভাৰতীয় আইন ব্যৱস্থাৰ ভৱিষ্যত সন্দৰ্ভত সুসংহত নীতি উদ্ভাৱনৰ বাবে জিলা ন্যায় ব্যৱস্থা আৰু অন্যান্য সকলৰ মাজত বিস্তৃত আলোচনা অনুষ্ঠিত হ'ব। এই সমাৰোহত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় আইন আৰু ন্যায় বিভাগৰ মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে কয় যে, তৃতীয় পৰ্যায়ৰ ই-আদালতৰ অধীনত প্ৰায় ৭ হাজাৰ ২০০ কোটি টকা আৱণ্টন দিয়া হৈছে। আজিৰ অনুষ্ঠানত দেশৰ মহাধিবক্তা আৰ ভেংকটাৰমনী, সৰ্বোচ্চ ন্যায়ালয়ৰ অধিবক্তা সংস্থাৰ সভাপতি কপিল ছিবাল, ভাৰতীয় বাৰ কাউন্সিলৰ অধ্যক্ষ মানান কুমাৰ মিশ্ৰয়ো ভাষণ দিয়ে। এই দুদিনীয়া সমাৰোহত জিলা ন্যায় ব্যৱস্থাৰ আন্তঃগাঁথনি, সামূহিক আদালত, ন্যায়িক সুৰক্ষা, গোচৰ ব্যৱস্থাপনা আৰু প্ৰশিক্ষণ সন্দৰ্ভত পাঁচখন অধিৱেশন অনুষ্ঠিত হ'ব।

00000

অসম বিধানসভাৰ এইবাৰৰ শৰৎকালীন অধিবেশন কেইবাটাও দিশৰ পৰা গুৰুত্বপূৰ্ণ বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে, এইবাৰৰ অধিবেশনত গৃহীত বিধেয়কসমূহ ৰাজ্যবাসীৰ কল্যাণৰ দিশত অত্যন্ত গুৰুত্বপূৰ্ণ বুলি বিবেচিত হ'ব। এইবাৰৰ অধিবেশনত গৃহীত প্ৰতিখন বিধেয়কৰ সুকীয়া মৰ্যাদা থকাৰ লগতে ৰাজ্যবাসীৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে এই বিধেয়কসমূহ উত্থাপন কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। বিশেষকৈ মহিলা সৱলীকৰণ, থলুৱা কৃষ্টি, সংস্কৃতিৰ সুৰক্ষা আৰু আদিবাসী জনসাধাৰণৰ কল্যাণৰ দিশত এই বিধেয়কসমূহে সুদূৰপ্ৰসাৰি ভূমিকা গ্ৰহণ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। উল্লেখযোগ্য যে এইবাৰৰ অধিবেশনত মুছলমান বিবাহ বাধ্যতামূলক পঞ্জীয়ন আৰু বিবাহ বিচ্ছেদ বিধেয়ক ২০২৪, অসম ভূমি আৰু ৰাজহ নিয়ামক সংশোধনী বিধেয়ক ২০২৪ ৰ উপৰি অসম অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি, বিভিন্ন সেৱা আৰু পদত নিযুক্তিৰ ক্ষেত্ৰত আসন সংৰক্ষণ বিধেয়ক, অসম চৰকাৰৰ ভাষা সংশোধনী বিধেয়ক, অসম দক্ষতা বিশ্ববিদ্যালয় বিধেয়ককে ধৰি কেইবাখনো গুৰুত্বপূৰ্ণ বিধেয়ক গৃহীত হয়।

00000

কেন্দ্ৰীয় মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অন্নপূৰ্ণা দেৱীয়ে আজি গুজৰাটৰ গান্ধীনগৰত সপ্তম ৰাষ্ট্ৰীয় পোষণ মাহৰ ৰাষ্ট্ৰজোৰা কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। এইবাৰ এই কাৰ্যসূচীৰ অধীনত ৰক্তহীনতা দূৰীকৰণৰ বাবে ব্যাপক সজাগতা সৃষ্টিৰ লগতে পৰিপুষ্টি আৰু অধ্যয়ন, প্ৰযুক্তি নিৰ্ভৰ উদ্যমৰ সহায়ত তথা পৰিপূৰক আহাৰৰ দ্বাৰা

দেশত পুষ্টিহীনতাৰ সমস্যা দূৰ কৰাৰ প্ৰয়াস কৰা হ'ব। অনুষ্ঠানত দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে কয় যে, দেশৰ কন্যা শিশু আৰি মহিলাসকলৰ স্বাস্থ্য উন্নত হ'লেহে বিকশিত ভাৰতৰ স্বপ্ন বাস্তৱয়িত হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মহিলাকেন্দ্ৰীক উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰি আহিছে বুলি উল্লেখ কৰি তেঁও কয় যে এইবাৰৰ বাজেটত কন্যা শিশু আৰু মহিলাসকলৰ কল্যাণৰ লক্ষ্যৰে ৩ লাখ কোটি টকা আৱণ্টন দিয়া হৈছে। মন্ত্ৰীগৰাকীয়ে আজিৰ অনুষ্ঠানতে দেশৰ সকলো অঙ্গনবাড়ী কেন্দ্ৰৰ এক পেৰ মা কে নাম অভিযানৰ শুভাৰম্ভ কৰে।

দেশৰ বিভিন্ন অংশৰ লগতে আজি চৰাইদেউ জিলাতো জিলা মহিলা আৰু শিশু বিকাশ বিভাগৰ উদ্যোগত আৰু চৰাইদেউ জিলা প্ৰশাসনৰ সহযোগত পোষণ মাহৰ শুভাৰম্ভ কৰা হয়। এই উপলক্ষে জিলাখনৰ প্ৰতিটো অঙ্গনবাড়ী কেন্দ্ৰৰ চৌহদত এক পেৰ মা কে নাম শীৰ্ষক কাৰ্যসূচী শুভাৰম্ভ কৰা হয়। একেদৰে ডিব্ৰুগড় জিলাতো আজি পোষণ মাহৰ উদ্বোধনী অনুষ্ঠানৰ আয়োজন কৰা হয়। কাৰ্যসূচীৰ অধীনত ডিব্ৰুগড় জিলাৰ অঙ্গনবাড়ী কেন্দ্ৰ আৰু সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়াৰ কাৰ্যালয়ত গছপুলি ৰোপণ কৰা হয়। প্ৰধানমন্ত্ৰীয়ে মাতৃৰ নামত একোটাকৈ গছপুলি ৰোপণৰ বাবে জনোৱা আহ্বান অনুসৰি এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৯ চেপ্তেম্বৰত ২১ সংখ্যক পশুধনৰ পিয়ল কাৰ্যসূচী শুভাৰম্ভ কৰিব। এই উপলক্ষে দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো প্ৰস্তুতি অব্যাহত আছে। দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ সদৰ হাটশিঙিমাৰীত আজি এই পিয়লৰ বাবে জিলা পৰ্যায়ৰ গণনাকাৰী বিষয়াসকলক প্ৰশিক্ষণ প্ৰদান কৰা হয়। অসম পশুপালন বিভাগৰ অধীনত হাটশিঙিমাৰী মহকুমা পশুপালন বিভাগে জিলাখনৰ শতাধিক বিষয়া-কৰ্মচাৰীক এখন কৰ্মশালাৰ জৰিয়তে পশুধনৰ গণনাকাৰ্য্য সম্পৰ্কে অৱগত কৰে। এই কাৰ্যসূচীত হাটশিঙিমাৰী মহকুমা পশুপালন বিষয়াকে ধৰি কেইবাগৰাকীও বিষয়া-কৰ্মচাৰী উপস্থিত আছিল। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰীয়ে এই কাৰ্যসূচী আনুষ্ঠানিকভাৱে উদ্বোধন কৰাৰ পাছত দেশৰ ৫০০ খন জিলাৰ প্ৰতিখন গাওঁত বিভাগীয় বিষয়াসকলে জৰীপ চলাব বুলি জানিব পৰা গৈছে।

০০০০০

দেশত পৰৱৰ্তী ৫ বছৰৰ ভিতৰত নতুনকৈ ১০ টা আয়ুষ প্ৰতিষ্ঠান গঢ়ি তোলা হ'ব বুলি কেন্দ্ৰীয় আয়ুষ মন্ত্ৰী প্ৰতাপ ৰাও যাধৱে প্ৰকাশ কৰিছে। তেওঁ কয় যে, আয়ুৰ্বেদৰ গুণৰাজি দেশৰ প্ৰতিটো পৰিয়ালক উপকৃত কৰিব পৰাকৈ ব্যৱহাৰৰ বাবে প্ৰধানমন্ত্ৰী মোদীৰ প্ৰচেষ্টাক কাৰ্যকৰী কৰিবলৈ এই ব্যৱস্থা লোৱা হৈছে। নতুন দিল্লীত সৰ্বভাৰতীয় আয়ুৰ্বেদ প্ৰতিষ্ঠানত আয়োজিত কাৰ্যসূচীত অংশ লৈ শ্ৰীযাধৱে এই বিষয়ে প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে, যোগ আৰু আয়ুৰ্বেদ সম্প্ৰতি আন্তঃৰাষ্ট্ৰীয় স্তৰত সমাদৃত হৈছে। আয়ুষ প্ৰতিষ্ঠানৰ সংখ্যা বৃদ্ধিয়ে দেশত পৰম্পৰাগত ঔষধ ব্যৱস্থা শক্তিশালী কৰাৰ লগতে প্ৰতিগৰাকী ভাৰতীয় নাগৰিকক উপকৃত কৰিব বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

০০০০০

কেন্দ্ৰীয় ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ দপ্তৰৰ মন্ত্ৰী জিতন ৰাম মাঝিয়ে আজি নতুন দিল্লীত খাদী মহোৎসৱ ২০২৪ আয়োজন সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত অংশ লয়। দেশত খাদী সামগ্ৰীৰ প্ৰচলনৰ বাবে চলিত বৰ্ষৰ অক্টোবৰ মাহত খাদী আৰু গ্ৰামোদ্যোগ আয়োগে এই মহোৎসৱৰ আয়োজন কৰিছে। বৈঠকত শ্ৰী মাঝিয়ে খাদী আৰু গ্ৰামোদ্যোগ খণ্ডৰ সাফল্যৰ সন্দৰ্ভত পৰ্যালোচনা কৰে। তেওঁ এটা নিৰ্ধাৰিত

লক্ষ্যৰে ইয়াৰ আঁচনিসমূহ ৰূপায়ণত ব্যাপক প্ৰয়াসৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে সমগ্ৰ দেশত খাদীৰ বস্ত্ৰ পৰিধান কৰাৰ বাবে জনসাধাৰণক উৎসাহিত কৰাৰ ক্ষেত্ৰত ব্যাপক প্ৰচাৰ চলোৱাৰ পোষকতা কৰে। ইয়াৰ ফলত গ্ৰামাঞ্চলত নিয়োগৰ সুবিধা সৃষ্টি কৰিব পৰা যাব বুলি তেওঁ অৱগত কৰে।

ooooo

গুৱাহাটী পৌৰ নিগমে মহানগৰীখনক প্ৰদূষণমুক্ত কৰি ৰখাৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ অংশ হিচাপে আজি মেয়ৰ মৃগেন শৰণীয়াই ৫ খন বাহনৰ শুভাৰম্ভ কৰে। গুৱাহাটী পৌৰ নিগমে প্ৰদূষণমুক্ত ভাৰত অভিযানৰ অধীনত পূৰ্বে ৩ খন পানী ছটিওৱা বাহন ক্ৰয় কৰিছিল। এই বাহনকেইখনে চহৰৰ বিভিন্ন পথত ধূলি নিয়ন্ত্ৰণ কৰিবলৈ সহায় কৰিব। ইয়াৰ উপৰিও গুৱাহাটী পৌৰ নিগমৰ ছাফাই কৰ্মচাৰীৰ দৈনন্দিন যাতায়াতৰ সুবিধাৰ বাবে দুখন বাছ ক্ৰয় কৰিছে। ইপিনে মেয়ৰ শৰণীয়াই আজি মহানগৰীৰ ৪৩ নম্বৰ ৱাৰ্ডৰ দক্ষিণ বৰসজাই মৈদাম দুৰ্গা মন্দিৰ ন্যাসৰ প্ৰস্তাৱিত প্ৰেক্ষাগৃহ আৰু যাত্ৰী নিবাসৰ নিৰ্মাণকাৰ্যৰ শুভাৰম্ভ কৰে।

ooooo

কেন্দ্ৰীয় চৰকাৰৰ ভূ-বিজ্ঞান মন্ত্ৰালয়, ভাৰতীয় বতৰ বিজ্ঞান বিভাগ আৰু গুৱাহাটী আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই দিয়া আগজাননী অনুসৰি ২৪ ঘণ্টাৰ ভিতৰত গুৱাহাটী মহানগৰীৰ বিভিন্ন অঞ্চলত ধাৰাষাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। যৌথভাৱে জাৰি কৰা সতৰ্কতামূলক জাননী উল্লেখ কৰা অনুসৰি প্ৰবল বৃষ্টিপাতৰ পৰিপ্ৰেক্ষিতত বাটপথত কৃত্ৰিম বানৰ সৃষ্টি হোৱাৰ উপৰি দিছপুৰ আৰু সোণাপুৰ ৰাজহ চক্ৰৰ কেতবোৰ এলেকা পানীৰে উপচি পৰাৰ সম্ভাৱনা আছে। ধাৰাষাৰ বৃষ্টিপাতৰ ফলত স্পৰ্শকাতৰ আন্তঃগাঁথনিৰ ক্ষয়-ক্ষতি হোৱাৰ লগতে যাতায়াত ব্যাহত হোৱাৰ আশংকাও জাননীখনত উল্লেখ কৰিছে। এনে কাৰণত পানী আৱদ্ধ হ'ব পৰা স্থানলৈ নাযাবলৈ ৰাইজক আহ্বান জনোৱা হৈছে। ভূমিস্খলনৰ সম্ভাৱনা থকা এলেকা ত্যাগ কৰাৰ লগতে এই সম্পৰ্কীয় সংশ্লিষ্ট কৰ্তৃপক্ষই আগবঢ়োৱা সতৰ্কতামূলক পৰামৰ্শ মানি চলিবলৈ জাননীখনত উল্লেখ কৰা হয়।

ooooo

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰণজিত কুমাৰ দাসে আজি বজালী জিলাৰ পাটাছাৰকুছিত এক কোটি ৩৯ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা ৬টাকৈ উন্নয়নমূলক কামৰ উদ্বোধন কৰে। মন্ত্ৰীগৰাকীয়ে নৰ্থ কামৰূপ মহাবিদ্যালয়ৰ আৱাসিক গৃহ, পাঠশালা হাইস্কুলৰ শ্ৰেণীকোঠা, ডিজিটেল পুথিভঁৰাল উদ্বোধন কৰে। মন্ত্ৰী শ্ৰী দাসে লগতে শ্বহীদ অক্ষেন্দ্ৰ উচ্চ মাধ্যমিক বিদ্যালয়, ৰিহাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু পাটাছাৰকুছি হাইস্কুলত ডিজিটেল পুথিভঁৰাল উদ্বোধন কৰে।

ooooo

তিনিচুকীয়াৰ পেঙেৰীত আপাৰ দিহিং সংৰক্ষিত বনাঞ্চলত সেনা বাহিনী আৰু অসম আৰক্ষীৰ যুটীয়া অভিযানত এটা ৰাইফল, দুটা মেগজিন, গুলী আৰু বিস্ফোৰকসহ ভালেমান সামগ্ৰী জব্দ কৰা হৈছে। অস্ত্ৰ-শস্ত্ৰসমূহ উগ্ৰপন্থী আলফা স্বাধীনৰ বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰিছে। তিনিচুকীয়াৰ অতিৰিক্ত আৰক্ষী অধীক্ষক মৃন্ময় দাসৰ নেতৃত্বত শুকুৰবাৰে নিশা আপাৰ দিহিং সংৰক্ষিত বনাঞ্চলত চলা অভিযানত মাৰণাস্ত্ৰখিনি জব্দ কৰা হয়।

ooooo

গোৱালপাৰা জিলাৰ বালিজানা শিক্ষাখণ্ডত খণ্ড সমল কেন্দ্ৰ এটা আজি উদ্বোধন কৰা হয়। চেণ্টাৰ ফৰ মাইক্ৰ'ফাইনেন্স এণ্ড লাইভলিহুডৰ সহযোগত আৰু টাটা ট্ৰাষ্টৰ সহযোগত নিৰ্মাণ কৰা এই কেন্দ্ৰটো আতি জিলাখনৰ অতিৰিক্ত আয়ুক্ত অৰুণ কুমাৰ ব্ৰহ্মই উদ্বোধন কৰে। আজিৰ এই উদ্বোধনী অনুষ্ঠানত জিলা প্ৰাথমিক শিক্ষা বিষয়া, জিলা প্ৰকল্প বিষয়াৰ লগতে বিভিন্ন খণ্ডৰ সমল ব্যক্তি উপস্থিত থাকে। উদ্বোধনী অনুষ্ঠানৰ লগত সংগতি ৰাখি গছপুলি ৰোপণ কাৰ্যসূচী অনুষ্ঠিত হয়।

ooooo

গোলাঘাট জিলাত দুৰ্যোগ প্ৰশমন বিভাগৰ অন্তৰ্গত এটা জিলা জৰুৰীকালীন সেৱাকেন্দ্ৰ মুকলি কৰা হয়। গোলাঘাটৰ জিলা আয়ুক্ত ডা০ পি উদয় প্ৰবীণে কেন্দ্ৰটো মুকলি কৰে। অনাগত দিনত জিলাখনত দুৰ্যোগ প্ৰশমন, ক্ষীপ্ৰ যোগাযোগ তথা তাৎক্ষণিক সঁহাৰিৰ ক্ষেত্ৰত এই কেন্দ্ৰটোৱে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি জিলা আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে। উদ্বোধনী অনুষ্ঠানত উপস্থিত থকা অসম ৰাজ্যিক দুৰ্যোগ প্ৰশমন কৰ্তৃপক্ষৰ ৰাজ্যিক প্ৰকল্প সমন্বয়ক তথা উপ-সচিব অলকানন্দ মেধিয়ে এই জৰুৰীকালীন সেৱা কেন্দ্ৰই দুৰ্যোগৰ সময়ত জিলাবাসীক সেৱা আগবঢ়াব বুলি উল্লেখ কৰে।

ooooo

যোৰহাট জিলাত আইন শৃংখলা পৰিস্থিতি আৰু অপৰাধ তদন্ত বিষয়ক এখন পৰ্যালোচনা বৈঠক আজি যোৰহাট আৰক্ষী ছাউনীত অনুষ্ঠিত হয়। যোৰহাট আৰক্ষী অধীক্ষকৰ পৌৰহিত্যত অনুষ্ঠিত এই বৈঠকত আৰক্ষীসকলে সন্মুখীন হোৱা বিভিন্ন সমস্যাৰ বিষয়েও আলোচনা কৰা হয়। যোৱা মাহত পাৰদৰ্শিতা দেখুওৱা আৰক্ষীক এই বৈঠকত পুৰস্কাৰ আৰু মানপত্ৰ প্ৰদান কৰা হয়।

ooooo

চৰাইদেউ জিলাৰ সোণাৰি পৌৰসভা এলেকাত অৱস্থিত সকলো দোকান, ব্যৱসায়িক প্ৰতিষ্ঠানত অসমীয়াত নামফলক ব্যৱহাৰ কৰিবলৈ সোণাৰি পৌৰসভাই নিৰ্দেশনা জাৰি কৰিছে। চৰাইদেউ জিলা ঐক্যমঞ্চই দিয়া স্মাৰক পত্ৰৰ প্ৰতি সন্মান জনাই সোণাৰি পৌৰসভাৰ কাৰ্যবাহী বিষয়াই অসমীয়াত নামফলক ব্যৱহাৰ কৰাতো বাধ্যতামূলক কৰিছে। জাৰি কৰা নিৰ্দেশ অনুযায়ী অহা ১০ ছেপ্তেম্বৰৰ ভিতৰত সকলো দোকান আৰু ব্যৱসায়িক প্ৰতিষ্ঠানৰ সন্মুখত অঁৰা নামফলকসমূহ অসমীয়াত লিখিবলৈ নিৰ্দেশ দিয়া হৈছে।

ooooo

ভাৰতীয় তেল নিগমৰ ৬৫ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে চিৰাঙৰ ঢালিগাঁৱত থকা বঙাইগাঁও শোধনাগাৰৰ চিকিৎসালয়ত আজি ৰক্তদান শিবিৰ অনুষ্ঠিত হয়। বঙাইগাঁও শোধনাগাৰৰ চিকিৎসালয়ৰ উদ্যোগত আৰু বঙাইগাঁও অসামৰিক চিকিৎসালয়ৰ সহযোগত অনুষ্ঠিত এই শিবিৰত শোধনাগাৰৰ বিষয়া-কৰ্মচাৰী, কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনীৰ বিষয়া-জোৱানসকলে ৰক্তদান কৰে। বঙাইগাঁও শোধনাগাৰৰ মুখ্য প্ৰবন্ধক ৰূপম কুমাৰ তালুকদাৰে ৰক্তদান শিবিৰ মুকলি কৰে। এই শিবিৰত ৩০ জনৰো অধিক বিষয়া-কৰ্মচাৰীয়ে ৰক্তদান কৰে।

ooooo

অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় মধ্যকালিন অধিবেশন কালিৰে পৰা নগাঁৱৰ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। কালি পুৱা জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ সভাপতি পলাশ চাংমাইয়ে পতাকা উত্তোলন আৰু সাধাৰণ সম্পাদক ৰাতুল বৰগোহাইয়ে শ্বহিদ তৰ্পন কাৰ্যসূচীৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰে। আজি পুৱা সাংস্কৃতিক শোভাযাত্ৰাৰে দ্বিতীয় দিনৰ কাৰ্যসূচী আৰম্ভ হয়।

নগাওঁ জিলাৰ আৰক্ষী অধীক্ষক স্বপ্ননীল ডেকাই মুকলি কৰা এই শোভাযাত্ৰাত ৩ সহস্ৰাধিক লোকে অংশগ্ৰহণ কৰে।

ooooo

ভাৰতৰ ৰুবিনা ফ্ৰান্সিছে পেৰিছ পেৰালিম্পিকৰ মহিলাৰ ১০ মিটাৰ এয়াৰ পিষ্টলৰ এছ্ এইচ ৱান শিতানত ব্ৰঞ্জৰ পদক অৰ্জন কৰিছে। খেলুৱৈগৰাকীয়ে আজি ফাইনেলত ২১১ দশমিক ১ পইণ্টেৰে ব্ৰঞ্জৰ পদক হস্তগত কৰে। ইৰাণৰ এছ্ জৱানমৰ্দিয়ে এই শিতানত সোণৰ আৰু তুৰস্কৰ এ ওজগানে ৰূপৰ পদক লাভ কৰে। ভাৰতে প্ৰতিযোগিতাত বৰ্তমানলৈকে এটা সোণ, এটা ৰূপ আৰু তিনিটা ব্ৰঞ্জৰ পদক লাভ কৰিছে।

ooooo

মৰিগাঁও জিলাৰ চাৰণ বিলত আজি ৰাজ্য চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগে ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱসৰ লগত সংগতি ৰাখি আজি পৰম্পৰাগত নাওখেল প্ৰতিযোগিতা অনুষ্ঠিত কৰে। চাৰণ বিল কেন'য়িং আৰু কায়াকিং জলক্ৰীড়া ক্ষেত্ৰত অনুষ্ঠিত প্ৰতিযোগিতাখন মন্ত্ৰী নন্দিতা গাৰ্লোচাই উদ্বোধন কৰে। অনুষ্ঠানত ক্ৰীড়া বিভাগৰ উচ্চ পদস্থ বিষয়াসকলৰ লগতে মৰিগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মা উপস্থিত থাকে। দুটা শাখাত অনুষ্ঠিত নাওখেল প্ৰতিযোগিতাত মুঠ ১২টা দলে অংশগ্ৰহণ কৰে।

ooooo

সমাপ্ত